অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/৩৪/২০২২-২৩
Ref :

তাৰিখ : ১১.০১.২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত ‘ভোগালী চ’ৰা’

**নুনমাটি, গুৱাহাটী, ১২ জানুৱাৰী ঃ** ভোগালী বিহুৰ প্ৰাক্‌ক্ষণত আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত ‘ভোগালী চ’ৰা’ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ কেইগৰাকীমান শিক্ষাৰ্থীয়ে মুকলি খেলপথাৰত প্ৰস্তুত কৰা মেজি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। মেজিৰ জুয়ে সকলো অপায়-অমঙ্গল নাশ কৰাৰ কামনাৰে হৰিধ্বনি দি বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থীয়ে নাম-প্ৰসংগ পৰিৱেশন কৰে। ইয়াৰ পিছতেই শিক্ষক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ মাজত মাঘ বিহুৰ পৰম্পৰা অনুসৰি কণী যুঁজ আৰু টেকেলি ভঙা খেল অনুষ্ঠিত হয়। আজি ভোগালী চ’ৰা অনুষ্ঠানত দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থী পৰিধি প্ৰজ্ঞাৰঞ্জনী মানৰে বাঁহী বাদন পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। তেওঁক বাঁহী বাদনত তবলা আৰু গিটাৰেৰে সংগত কৰে চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থী মৈত্ৰেয় আহোম আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী বিৰিখ ক্ষত্ৰিয়ই। সদ্য সমাপ্ত বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিৰ শ্ৰেষ্ঠ কাবাদীৰ দল (President 7 আৰু Secretary 7) দুটাৰ মাজত এখন প্ৰীতি কাবাদী খেলো আজি অনুষ্ঠিত কৰা হয়। এই সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ শিক্ষক দোলন বৰা আৰু হিন্দী বিভাগৰ শিক্ষয়িত্ৰী হিমাশ্ৰী ডেকাই। আজি ‘ভোগালী চ’ৰা’ অনুষ্ঠানৰ আহ্বায়কৰ দায়িত্বত আছিল সুকুমাৰ কলা বিভাগৰ বিভাগীয় মুৰব্বী শিক্ষক কুঞ্জৰ দাস।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়